Under CSR Support by ipca | Foundation missiongyan

# অধ্যায় - ৬ | জীৱন প্ৰক্ৰিয়া

## QUIZ-01

**১. শৰীৰত খাদ্য, অক্সিজেন আদি পদাৰ্থ কিহৰ দ্বাৰা পঢ়িয়াই দিয়া হয়?**
A. কোষ
B. তেজ আৰু লসিকা
C. স্নায়ু
D. হৰমোন
**Answer: B**
**Explanation:** মানুহৰ শৰীৰত তেজ আৰু লসিকাই সকলো অংগত পদাৰ্থ পঢ়িয়াই দিয়ে।

**২. হৃদযন্ত্ৰৰ অলিন্দৰ মুখ্য কাম কি ?**
A. শৰীৰলৈ তেজ পঠিয়োৱা
B. হৃদযন্ত্ৰলৈ তেজ গ্ৰহণ কৰা
C. তেজ গোট মৰা
D. অক্সিজেন বহন কৰা
**Answer: B**
**Explanation:** অলিন্দৰ মুখ্য কাম হৈছে শৰীৰৰ বিভিন্ন অংশৰ পৰা তেজ গ্ৰহণ কৰা।

**৩. চৰাই আৰু স্তন্যপায়ীৰ হৃদযন্ত্ৰৰ বৈশিষ্ট্য কি ?**
A. ৩টা কোঠা থাকে
B. কেৱল শিৰা থাকে
C. সম্পূৰ্ণ ৪টা কোঠাযুক্ত হৃদযন্ত্ৰ থাকে
D. কেৱল ধমনী থাকে
**Answer: C**
**Explanation:** চৰাই আৰু স্তন্যপায়ীৰ হৃদযন্ত্ৰত সম্পূৰ্ণ ৪টা কোঠা থাকে আৰু দ্বৈত পৰিবহন হয়।

**৪. শিৰাৰ ভিতৰত কিয় কপাট থাকে?**
A. তেজ গোট বাধিবলৈ
B. তেজৰ বেগ বৃদ্ধি কৰিবলৈ
C. তেজ একমুখীভাৱে হৃদযন্ত্ৰলৈ গৈ থকাৰ বাবে
D. অক্সিজেন যোগান ধৰিবলৈ
**Answer: C**
**Explanation:** শিৰাৰ ভিতৰত কপাট থাকে যাতে তেজ একমুখীভাৱে হৃদযন্ত্ৰলৈ গৈ থাকে।

**৫. পাচনত লালটিৰ মুখ্য উৎসেচক বা এনজাইম কোনটো?**
A. পেপছিন
B. এ্যামাইলেজ
C. লিপেজ
D. ট্ৰিপছিন
**Answer: B**
**Explanation:** লালাত থকা এ্যামাইলেজে ষ্টাৰ্চক মল্টজত ৰূপান্তৰ কৰে।

**৬. উদ্ভিদত পানী আৰু খনিজ পদাৰ্থ কেনেকৈ পৰিবহন হয়?**
A. ফ্ল'এমৰ দ্বাৰা
B. জাইলেমৰ দ্বাৰা
C. অলিন্দৰ দ্বাৰা
D. নিলয়ৰ দ্বাৰা
**Answer: B**
**Explanation:** উদ্ভিদত পানী আৰু খনিজ পদাৰ্থ মূলৰ পৰা জাইলেমৰ দ্বাৰা ওপৰলৈ পৰিবহন হয়।

**৭. ফ্লোৱেমত খাদ্যৰ প্ৰবাহৰ দিশ কেনে ?**
A. কেৱল ওপৰলৈ
B. কেৱল তললৈ
C. দ্বিমুখী (দুয়োফাললৈ)
D. স্থিৰ অৱস্থাত থাকে
**Answer: C**
**Explanation:** ফ্লোৱেমত খাদ্য দ্বিমুখীভাৱে প্ৰবাহিত হয়, অৰ্থাৎ ওপৰ আৰু তল দুয়োফাললৈ।

**৮. নেফ্ৰনত তেজ শোধন কোন অংশত হয় ?**
A. গ্লোমেৰুলাছ
B. মূত্ৰাশয়
C. ইউৰেটাৰ
D. অলিন্দ
**Answer: A**
**Explanation:** নেফ্ৰনৰ গ্লোমেৰুলাছত তেজৰ শোধন প্ৰক্ৰিয়া ঘটে।

**9. বৃক্ক বিকল হ'লে ৰেচন প্ৰক্ৰিয়াৰ বাবে কৃত্ৰিম বৃক্কৰ সাহায্য ল'ব লাগে, ইয়াক কি বোলা হয় ?**
A. কিডনি ষ্ট'ন
B. ডায়েলাইছিছ
C. ট্ৰান্সপ্লান্ট
D. ফিল্টাৰছন
**Answer: B**
**Explanation:** বৃক্ক বিকল হ'লে কৃত্ৰিম বৃক্কৰ সাহায্যে কৰা প্ৰক্ৰিয়াক ডায়েলাইছিছ বোলা হয়।

**10. উদ্ভিদৰ পৰা বৰ্জিত পদাৰ্থ ক'ত উলায় ?**
A. মূল কেশিকা
B. পত্ৰৰন্ধ্ৰ (Stomata)
C. ৰাইজ'ম
D. ফল
**Answer: B**
**Explanation:** উদ্ভিদে $CO_2$ আৰু পানীৰ বাষ্প আদি পত্ৰৰন্ধ্ৰৰ জৰিয়তে বাহিৰলৈ উলায়।

Video COURSES | QUIZ | PDF | TEST SERIES
Download Mission Gyan App
100% FREE!